# ঈশ্বৰৰ পৰিচৰ্য্যা কেনেকৈ কৰিব লাগে এগৰাকী ভাববাদীয়ে আনজনক দেখুওৱা

**প্ৰাৰ্থনা ঃ** "হে আমাৰ স্বৰ্গত থকা পিতৃ, অন্য ল'ৰা-ছোৱালীয়ে যেন যীচুক উত্তৰৰূপে অনুসৰণ কৰিব পাৰে তাৰ বাবে প্ৰস্তুত হোৱাত এই অধ্যয়ন অনুগ্ৰহ কৰি ব্যৱহাৰ কৰক।"

ল'ৰা-ছোৱালীৰ বৰ্ত্তমানৰ প্ৰয়োজনীয়তা আৰু স্থানীয় **ৰীতি-নীতি** লগত খাপ খুৱাঁকৈ কৰিবলগীয়া কামবোৰ বাচি লওঁক।



কেনেকৈ এলিয়া ভাববাদীয়ে তেওঁৰ শক্তি ইলীচাক দিছিল সেই **গল্পটি** বৰ্ণনা কৰক. **২ ৰাজাৱলি ২:১-১৫**।

- কোনো এগৰাকী ডাঙৰ ল'ৰা-ছোৱালীক গল্পটি পঢ়িবলৈ অথবা মুখস্থ কৰবলৈ যুগুত কৰিব।
- এলিয়াই কি দৰে তেওঁৰ কাম এগৰাকী যুৱ ভাববাদীক দিছিল তাকে এই গল্পটিয়ে বুজাইছে বুলি প্ৰথমে ব্যাখা কৰিব।
- ঠিক তেনেদৰে ল'ৰা-ছোৱালীবিলাকে শিকা ঈশ্বৰৰ বাক্য আন ল'ৰা-ছোৱালীক জনোৱা উচিত।

তলত দিয়া প্ৰশ্নবোৰ কৰক। ল'ৰা-ছোৱালীবিলাকে শুদ্ধকৈ কব নোৱাৰিলে উত্তৰবোৰ কৈ দিব।

- তেওঁৰ শিক্ষকৰ কি হৈছে তাৰ বাবে ইলীচাই কিমান চিন্তা কৰিছিল? *(উত্তৰ ঃ ইলীচাই তেওঁৰ বৃদ্ধ শিক্ষকক অকলশৰীয়াকৈ যাবলৈ দিয়া নাছিল।)*
- তেওঁৰ শিক্ষকে তেওঁক এৰি থৈ যাব বুলি ইলীচাই জানিছিলনে? *(উত্তৰ ঃ ৩ পদ)*
- তেওঁৰ শিস্যক এলীয়াই সোধা অন্তিম প্ৰশ্নটো কি আছিল? *(উত্তৰ ৯ পদ)*
- ইলীচাই এলিয়াৰ পৰা কি পাবলৈ ইচ্ছা কৰিছিল? *(উত্তৰ ঃ ৯ পদ)*
- কেনেদৰে এলিয়াই স্বৰ্গলৈ গৈছিল? *(১১ পদ)*
- তেওঁ গুৰুৱে তেওঁক এৰি থৈ যোৱাত ইলীচাই কেনে অনুভৱ কৰিছিল? *(১২ পদ)*
- ইলীচা অতি দুঃখিত হৈছিল। পুৰণি কালত ইস্ৰায়েল দেশত লোকবিলাকে কাপোৰ ফালি তেওঁলোকৰ দুঃখ প্ৰকাশ কৰিছিল।



ধোঁৱা ওলাই থকা ডাঙৰ কিন্তু সাধাৰণ এখন (ঘোৰা গাড়ীৰ) ছবি আকক। ল'ৰা-ছোৱালীক নিজাকৈ আঁকিবলৈ দিয়ক আৰু সম্ভৱ হলে **ছবিখন** ৰঙ দিয়ক।

বয়সীয়া সকলৰ নিমিত্তে এলিয়া আৰু ইলীচাৰ কাহিনীটিৰ কিছু অংশ **নাটক ৰূপে** কৰি দেখুওৱাক। এলিয়াৰ বাবে এটা হলৌ চোলা যুগুত কৰক। আখৰা কৰা সময়খিনি শিকা সময় হওঁক।

- **ডাঙৰ ল'ৰা-ছোৱালীক এলিয়া** আৰু **ইলীচাৰ** ভাগ দিয়ক।
- সৰু ল'ৰা-ছোৱালীক এলিয়াৰ শিষ্যবোৰৰ ভাগ দিয়ক।

**বৰ্ণনকাৰীঃ** ২ ৰাজাৱলি ২:১-৭ পৰা গল্পটিৰ প্ৰথম ভাগ কওঁক। এতিয়া কওঁক, এলিয়াই তেওঁৰ শিষ্য ইলীচাক কি কৈছে, শুনক।

**এলিয়াঃ** ইলীচাৰ লগত খোজ কাঢ়ি থাকোতে কয়, ইলীচা, মোৰ যোৱা সময় হৈছে। তুমি ইয়াতে থাকা।

**ইলীচাঃ** কয়, নহয়, মই শেষলৈকে আপোনাৰ লগত থাকিম।

**এলিয়াৰ শিষ্যবিলাক ঃ** এফালে ৰৈ থাকে। এজনে কয়, ইলীচা, আমি ভাববাদী। আমি জানো যে তোমাৰ গুৰু আজি স্বৰ্গলৈ যাব। মোৰ কাম কোনে আগবঢ়াই নিব।

**বৰ্ণনকাৰীঃ** ৮-১৪ পদ ঃ গল্পটিৰ দ্বিতীয় ভাগ কওঁক। এতিয়া কওঁক এলিয়াই ইলীচাক কি কৈছে, শুনক।

**এলিয়াঃ** তোমাৰ কাপোৰেৰে মাটিত কোবোৱা। এতিয়া কওঁক, ঈশ্বৰে নদীখন দুভাগ কৰিলে, আহা আমি পাৰ হৈ যাওঁ। (ইলীচাৰ লগত খোজকাঢ়ি যায়) এতিয়া কোৱাচোন, মই যোৱাৰ আগেয়ে তোমাৰ বাবে কি কৰিব পাৰোঁ?

**ইলীচাঃ** আপুনি গুচি যোৱা পিছত এই ভাল কামবোৰ কৰি যাবলৈ মই ঈশ্বৰৰ শক্তি পোৱা ইচ্ছা কৰোঁ।

**এলিয়াঃ** যদিহে তুমি মোক স্বৰ্গলৈ উঠা দেখা পোৱা, তেন্তে এই কাম কৰি যাবলৈ ঈশ্বৰে তোমাক সহায় কৰিব। (হলৌ চোলাটো মাটিত পেলাব আৰু এখন চকীত উঠি স্বৰ্গৰ ফাললৈ তোমাৰ হাত দাঙিবা)।

**ইলীচাঃ** মই অগ্নিৰ এখন ৰথত ওপৰলৈ উঠি যোৱা মই দেখা পাইছো। অলপ পৰ ৰৈ থাকিব। পিছত হলৌ চোলাটো তুলি লৈ ভাববাদী সকলৰ দলটোৰ ফালে আগুৱাই যাব। হলৌ চোলাটোৰে মাটিত কোবাব।

**এলিয়াৰ ভাববাদীবিলাক ঃ** আটাইয়ে চিঞৰি ক'ব, চোৱা, তেওঁ পানী দুভাগ কৰিলে। এনেতে এগৰাকী ভাববাদীয়ে ক'ব এলিয়াৰ শক্তিকে ঈশ্বৰৰ আত্মাই তেওঁক দিছে।

**বৰ্ণনকাৰীঃ** সহায় কৰা আটাইকে ধন্যবাদ জ্ঞাপন কৰিব।

ল'**ৰা-ছোৱালীয়ে** ডাঙৰ বিলাকৰ নিমিত্তে এই নাটক পৰিবেশন কৰোঁতে এলিয়া আৰু ইলীচাৰ প্ৰশ্নবোৰ কৰিবলৈ কওঁক।

ল'ৰা-ছোৱালীক **ব্যাখ্যা** কৰকঃ যীচু মানৱৰূপে জগতলৈ অহাৰ বহু পূৰ্বে এলিয়াই ঈশ্বৰৰ বাধ্য হবলৈ শিষ্যবিলাকক শিকাইছিল। এতিয়া তেওঁৰ বাধ্য লোকবিলাকক তেওঁৰ শিষ্য কৰিবলৈ যীচুৰে আমাক শিকায়। প্ৰশ্ন কৰক ঃ

- আমি কেনেকৈ অন্য ল'ৰা-ছোৱালীক যীচুৰ বাধ্য হোৱাত সহায় কৰিব পাৰিম?
- তোমাৰ কোনো ককাই-ভাই, বাই-ভনী অথবা বন্ধু আছে নে যাক তুমি যীচুৰ কথা শিকাবলৈ আৰু তেওঁৰ বাধ্য হোৱাত সহায় কৰিব পাৰা।

**শক্তিৰ হলৌ চোলাটো আনজনক দিয়ক।**

- ল'ৰা-ছোৱালীৰ নিমিত্তে হলৌ চোলাৰ ছবি এখন আঁকক।
- কোনো এটি ল'ৰা এলিয়া, আন এটিক ইলীচাৰ ভাও লবলৈ কওঁক।
- এলিয়াৰ হাতত হলৌ চোলাৰ ছবিখন দি বুজাই কওঁক যে ই ঈশ্বৰৰ শক্তি। যীচুৰ কথা কবলৈ আৰু তেওঁৰ পৰিচৰ্য্যা কৰিবলৈ এতিয়া তোমাৰ শক্তি আছে এই বুলি কওঁক।

**বৰ্ণনা কৰক**, আমি ঈশ্বৰৰ শক্তিকলৈ স্বাৰ্থপৰ নহওঁ। আমি শিষ্য কৰো, অৰ্থাৎ ঈশ্বৰৰ শক্তি আৰু তেওঁৰ বাক্য আমি অন্য ল'ৰা-ছোৱালীক কওঁ। পিছত এলিয়াৰ ভাও লোৱা লৰাটিক তাৰ টুপিটো ইলীচাক দিবলৈ কওঁক।



- ল'ৰা-ছোৱালীক হলৌ চোলাৰ ছবি এখন আঁকিবলৈ দি, পিছৰ উপাসনাৰ গীৰ্জাত বয়সীয়া সকলক দেখুৱাবলৈ কওঁক।
- এলিয়াই কিদৰে তেওঁৰ হলৌ চোলাটো তেওঁৰ শিষ্য ইলীচাক দিছিল তাৰে বৰ্ণনা কৰিবলৈ ল'ৰা-ছোৱালীবিলাকক প্ৰস্তুত কৰক, যিহৰ দ্বাৰাই আমি জানিব পাৰোঁ যে কেনেকৈ আমি ঈশ্বৰৰ শক্তি আৰু দয়া আনক দিব পাৰোঁ।

**মুখস্থ কৰক ঃ** যোহন ২০:২১।

**পদ্য ঃ গীতমালা** ৩৯:৪, ৫, আৰু ৭ পদটি তিনিটা ল'ৰা-ছোৱালীক আবৃতি কৰিবলৈ দিয়ক।

ল'ৰা-ছোৱালীৰ লগত **প্ৰাৰ্থনা** কৰকঃ

প্ৰিয় প্ৰভু, আপোনাৰ আজ্ঞা পালন কৰোঁতা আটাইকে আপোনাৰ শিষ্য কৰিবলৈ আমাক কৈছে। আমি বাধ্য হোৱাত সহায় কৰিবলৈ আপুনি আমাক আপোনাৰ বাক্য আৰু আত্মা দিছে। আপোনাৰ প্ৰকৃত শিষ্য হবলৈ আমাক সহায় কৰক। আন লোকবিলাকো যেন প্ৰকৃত শিষ্য হব পাৰে সেয়ে তেওঁলোকক যীচুৰ বিষয়ে কবলৈ আমাক সহায় কৰক।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net